29T ACOU

# 2019

# ACCOUNTANCY

Full Marks : 100

Pass Marks : 30

Time : Three hours

*The figures in the margin indicate full marks for the questions.*

| | | |
|---|---|---|
| *Q. No. 1 carries 1 mark each* | | |
| | *1 (a)* | 1×4 = 4 |
| | *1 (b)* | 1×2 = 2 |
| | *1 (c)* | 1×2 = 2 |
| *Q. Nos. 2–6 carry 2 marks each* | | 2×5 = 10 |
| *Q. Nos. 7–11 carry 3 marks each* | | 3×5 = 15 |
| *Q. Nos. 12–18 carry 5 marks each* | | 5×7 = 35 |
| *Q. Nos. 19–22 carry 8 marks each* | | 8×4 = 32 |
| | | Total = 100 |

1. (a) Fill in the blanks with appropriate word/words : 1×4=4

উপযুক্ত শব্দৰে খালীঠাই পূৰণ কৰা ঃ

(i) The liability of every shareholder of a company is ________. 1

এটা কোম্পানীৰ প্ৰত্যেক অংশপত্ৰ ধাৰকৰ দেনাৰ পৰিমাণ ________।

(ii) Outstanding Subscription is shown on the ________ side of the Balance Sheet. 1

পাবলগীয়া বৰঙনি উদ্বৃত্ত পত্ৰৰ ________ পক্ষত দেখুওৱা হয়।

(iii) If a partner takes over a liability of the firm, that partner's capital account is ________. 1

যদি এজন অংশীদাৰে অংশীদাৰী প্ৰতিষ্ঠানৰ এটা ঋণ অধিগ্ৰহণ কৰে, তেন্তে অংশীদাৰ জনৰ মূলধন হিচাপ হ'ব ________।

(iv) Current ratio is the relationship between ________ assets and current liabilities. 1

চলিত অনুপাতে ________ সম্পত্তি আৰু চলিত দেনাৰ সম্পৰ্কক সূচায়।

(b) Choose the correct alternative : 1×2=2

শুদ্ধ উত্তৰটো বাছনি কৰা ঃ

(i) Annual Report is issued by a company to its :

এটা কোম্পানীয়ে বাৰ্ষিক প্ৰতিবেদন বিলি কৰে ঃ

(1) Directors

সঞ্চালকসকলক

(2) Auditors

হিচাপ পৰীক্ষকসকলক

(3) Shareholders

অংশপত্ৰধাৰকসকলক

(4) Management.

পৰিচালনামণ্ডলীক।

(ii) Financial statements of a company include : 1

এটা কোম্পানীৰ বিত্তীয় বিবৃতিবোৰৰ মাজত অন্তৰ্ভুক্ত হৈ আছে ঃ

(1) Only Cash Flow Statement

কেৱল নগদধনৰ প্ৰৱাহ প্ৰতিবেদন

(2) Only Profit and Loss Account

কেৱল লাভ-লোকচান হিচাপ

(3) Only Balance Sheet

কেৱল উদ্বৃত্ত পত্ৰ

(4) All of the above.

ওপৰৰ গোটেইকেইটা।

(c) State whether the following statements are "True" *or* "False" :

তলৰ বাক্য কেইফাকি শুদ্ধ *নে* অশুদ্ধ লিখা ঃ

(i) The deceased partner is entitled to a share of profit for the period upto his death. 1

মৃত্যু হোৱা দিনলৈকে হোৱা লাভৰ অংশ মৃত অংশীদাৰজনৰ প্ৰাপ্য।

(ii) Profit or Loss on revaluation of assets and liabilities is distributed among old partners in sacrificing ratio. 1

সম্পত্তি আৰু দেনাৰ পুনৰ মূল্যায়নৰ পৰা হোৱা লাভ বা লোকচান পুৰণি অংশীদাৰ সকলৰ মাজত ত্যাগৰ অনুপাতত বিতৰণ কৰা হয়।

2. Give *two* distinctions between a not-for-profit organisation and a trading organisation. 2

লাভ নোলোৱা প্ৰতিষ্ঠান আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ মাজত থকা *দুটা* পাৰ্থক্য লিখা।

3. A and B are two partners sharing profits and losses in the ratio of 3 : 2. C is admitted as a new partner for $\frac{3}{10}$th share which he acquires $\frac{2}{10}$th from A and $\frac{1}{10}$th from B. Calculate new profit sharing ratio. 2

A আৰু B দুজন অংশীদাৰ আৰু তেওঁলোকে 3 : 2 অনুপাতত লাভ-লোকচান বণ্টন কৰিছিল। তেওঁলোকে C-ক নতুন অংশীদাৰ হিচাপে ল'লে। C-য়ে লাভৰ $\frac{3}{10}$ অংশ পাব। এই অংশ তেওঁ Aৰ পৰা $\frac{2}{10}$ অংশ আৰু B ৰ পৰা $\frac{1}{10}$ অংশ ল'লে। নতুন লাভ বণ্টনৰ অনুপাত নিৰ্ণয় কৰা।

*OR / নাইবা*

Give *two* conditions under which a partnership firm is dissolved.

অংশীদাৰী ব্যৱসায় ভংগ হ'ব পৰা *দুটা* ভিত্তি লিখা।

4. Mention *any two* features of a debenture. 2

ঋণপত্ৰৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

5. What is the meaning of Cash Flow from Investing Activities ? 2

"বিনিয়োগ কাৰ্য্যক্ৰমৰ পৰা হোৱা নগদ ধনৰ প্ৰৱাহ" ৰ অৰ্থ লিখা।

6. What is meant by "super profit" in relation to valuation of goodwill ? 2

সুনাম মূল্যায়ন সম্পৰ্কত "অতিলাভ" মানে কি বুজা?

7. Mention *three* objectives of preparing financial statements. 3

বিত্তীয় প্ৰতিবেদন প্ৰস্তুতকৰণৰ *তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

8. Calculate liquid ratio from the following information : 3

তলত দিয়া তথ্যৰপৰা তৰল অনুপাত নির্ণয় কৰা ঃ

| | | |
|---|---|---|
| Stock (মজুত পণ্য) | = ₹ | 50,000/- |
| Debtors (দেনাদাৰ) | = ₹ | 80,000/- |
| Bills Receivable (প্ৰাপ্য বিল) | = ₹ | 10,000/- |
| Advance Tax (অগ্ৰিমপ্ৰদত্ত কৰ) | = ₹ | 4,000/- |
| Cash (নগদ) | = ₹ | 30,000/- |
| Creditors (পাওনাদাৰ) | = ₹ | 60,000/- |
| Bills Payable (প্ৰদেয় বিল) | = ₹ | 40,000/- |
| Machinery (যন্ত্ৰপাতি) | = ₹ | 50,000/- |
| Bank Overdraft (বেংক অভাৰড্ৰাফ্‌ট) | = ₹ | 4,000/- |
| Debentures (ঋণপত্ৰ) | = ₹ | 70,000/- |

*OR / নাইবা*

What is Comparative Statement? Mention *two* objectives of preparing Comparative Statement. 1+2=3

তুলনামূলক বিবৃতি মানে কি? তুলনামূলক বিবৃতি প্ৰস্তুতকৰণৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

9. What are contingent liabilities? Mention *any two* items. 1+2=3

সম্ভাব্য দেনা মানে কি বুজা? *যিকোনো দুবিধৰ* নাম উল্লেখ কৰা।

*OR / নাইবা*

Explain the average profit method of valuation of goodwill. 3

সুনাম মূল্যায়নৰ গড় মুনাফা পদ্ধতি ব্যাখ্যা কৰা।

10. Calculate amount of medicines consumed to be shown in the Income and Expenditure A/c for the year ended 31-12-2018 : 3

31-12-2018 তাৰিখে অন্তপৰা বৰ্ষৰ আয়-ব্যয় হিচাপত দেখুৱাবলগীয়া ঔষধৰ ব্যৱহাৰৰ পৰিমাণ নিৰ্ণয় কৰা :

| | 01-01-2018 (Rs.) | 31-12-2018 (Rs.) |
|---|---|---|
| Stock of Medicines (ঔষধৰ মজুত) | 3,000 | 500 |
| Creditors for Medicines (ঔষধৰ বাবে পাওনাদাৰ) | 2,000 | 1,300 |

Amount paid for medicines during 2018 was Rs. 10,800/-.

2018 বৰ্ষৰ ভিতৰত ঔষধৰ বাবে 10,800 টকা পৰিশোধ কৰা হৈছিল।

*OR / নাইবা*

Mention *any three* distinctions between Receipts and Payments A/c and Income and Expenditure A/c. 3

জমাখৰচ হিচাপ আৰু আয়-ব্যয় হিচাপৰ মাজত থকা *যিকোনো তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

11. Mention *any three* limitations of Financial Statements. 3

বিত্তীয় প্ৰতিবেদনৰ *যিকোনো তিনিটা* সীমাবদ্ধতা উল্লেখ কৰা।

*OR / নাইবা*

Write *three* objectives of preparing Realisation Account. 3

মূল্যাদায়কৰণ হিচাপ প্ৰস্তুত কৰাৰ *তিনিটা* উদ্দেশ্য লিখা।

12. North East Club had a Cash balance of ₹ 20,000/- and Bank balance of ₹ 35,000/- respectively on 01/04/2017. From the following details prepare a Receipts and Payments Account for the year ended 31/3/2018 : 5

নৰ্থ ইষ্ট ক্লাবৰ ইং 01/04/2017 তাৰিখত নগদ ধন আছিল 20,000 টকা আৰু বেংকত জমা আছিল 35,000 টকা। তলৰ তথ্যৰ পৰা 31/03/2018 তাৰিখে অন্ত পৰা বছৰটোৰ বাবে জমা খৰচ হিচাপ প্ৰস্তুত কৰা :

| | (Rs.) | (Rs.) |
|---|---|---|
| Subscription Received (প্ৰাপ্ত বৰঙনি) ঃ | | |
| 2016-17 | 30,000 | |
| 2017-18 | 2,25,000 | |
| 2018-19 | 10,000 | 2,65,000 |
| Donation for Building (ভৱনৰ বাবে প্ৰাপ্ত দান) | | 60,000 |
| Entrance Fee (প্ৰাপ্ত প্ৰৱেশ মাচুল) | | 23,000 |
| Life Membership Fee (আজীৱন সভ্য মাচুল) | | 20,000 |
| Printing and Stationery (ছপা আৰু মনোহাৰী) | | 38,750 |
| Lighting Expenses (বিদ্যুতৰ খৰচ) | | 26,250 |
| Rent and Taxes Paid (ভাড়া আৰু কৰ পৰিশোধ) | | 17,000 |
| Telephone Charges (টেলিফোনৰ খৰচ) | | 2,600 |
| Postage (ডাক) | | 2,000 |
| Salaries (দৰমহা) | | 88,000 |
| Insurance (বীমা) | | 15,000 |
| Interest Received (প্ৰাপ্ত সুত) | | 18,000 |
| Locker Rent Received (লকাৰৰ ভাড়া প্ৰাপ্তি) | | 42,000 |
| Purchase of Furniture (আচবাব ক্ৰয়) | | 2,00,000 |
| Cash in hand as on 31-03-2018 (31-03-2018 তাৰিখত নগদ জমা) | | 23,400 |

*OR / নাইবা*

Explain in brief the treatment of the following items in preparation of Income and Expenditure Account : 5

আয়-ব্যয় হিচাপ প্রস্তুত কৰোতে তলত দিয়া পদসমূহৰ হিচাপ সম্পৰ্কীয় ব্যৱস্থা চমুকৈ ব্যাখ্যা কৰা ঃ

*(i)* Subscription (বৰঙনি)

*(ii)* Life Membership Fee (আজীৱন সভ্য মাচুল)

*(iii)* General Donation (সাধাৰণ দান)

*(iv)* Specific Donation (বিশেষ দান)

*(v)* Legacy (লিগেছি)

13. What is Cash Flow Statement ? Explain its *three* limitations. 2+3=5

নগদধনৰ প্ৰৱাহ প্ৰতিবেদন মানে কি? এই প্ৰতিবেদনৰ *তিনিটা* সীমাবদ্ধতা ব্যাখ্যা কৰা।

*OR / নাইবা*

From the following information calculate the cash from operating activities :

তলত দিয়া তথ্যবোৰৰ পৰা ব্যৱসায়িক কাৰ্যক্ৰমৰ পৰা নগদধনৰ প্ৰৱাহৰ পৰিমাণ নিৰ্ণয় কৰা :

| | 2016 (Rs.) | 2017 (Rs.) |
|---|---|---|
| Profit and Loss A/c (লাভ লোকচান হিচাপ) | 3,00,000 | 2,50,000 |
| Bills Receivable (প্ৰাপ্য বিল) | 20,000 | 18,000 |
| Provision for Depreciation (অৱক্ষয়ৰ বাবে সঞ্চিত) | 60,000 | 80,000 |
| Outstanding Wages (দিবলগীয়া মজুৰি) | 18,000 | 15,000 |
| Prepaid Insurance (অগ্ৰিম প্ৰদত্ত বীমা) | 6,000 | 9,000 |
| Goodwill (সুনাম) | 40,000 | 32,000 |
| Provision for Doubtful Debts (সন্দেহজনক ঋণৰ বাবে ভৱিষ্যৎ ব্যৱস্থা) | 10,000 | 14,000 |
| Debtors (দেনাদাৰ) | 1,20,000 | 80,000 |
| Cash and Bank Balance (নগদ আৰু বেংকৰ উদ্বৃত্ত) | 30,000 | 25,000 |

14. A business has a current ratio of 3:1 and a quick ratio of 1·2:1. If the Working Capital is ₹ 1,80,000, calculate current assets and stock. 5

এটা ব্যৱসায়ৰ চলিত অনুপাত 3:1 আৰু তাৰল্য অনুপাত 1·2:1 । যদি কাৰ্য্যকৰী মূলধন 1,80,000 টকা হয়, তেন্তে চলিত সম্পত্তি আৰু মজুত পণ্যৰ মান নিৰ্ণয় কৰা।

*OR / নাইবা*

What are profitability ratios ? What is the significance of gross profit and operating profit ratio ? 3+2=5

লাভজনকতা অনুপাতবোৰ কি কি ? সৰ্বমুঠ লাভ আৰু ব্যৱসায়িক লাভৰ অনুপাতৰ গুৰুত্ব কি ?

15. A, B and C were partners sharing profits in the ratio of 3:2:1 respectively. Balance Sheet of the firm as at 31st March, 2017 stood as follows: 5

A, B আৰু C তিনিজন অংশীদাৰে একাদিক্ৰমে 3:2:1 অনুপাতত লাভ বণ্টন কৰিছিল। 31 মাৰ্চ, 2017 তাৰিখে তেওঁলোকৰ প্ৰতিষ্ঠানৰ উদ্বৃত্ত পত্ৰখন তলত দিয়া দৰে আছিল :

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 16,000 | Building (ভৱন) | 23,000 |
| Capital :<br>(মূলধন) ঃ | | Debtors (দেনাদাৰ) | 7,000 |
| A : 20,000/- | | Stock (মজুত পণ্য) | 12,000 |
| B : 7,500/- | | Patent (পেটেন্ট) | 8,000 |
| C : 12,500/- | 40,000 | Bank (বেংক) | 6,000 |
| | 56,000 | | 56,000 |

"B" retired on the above date on the following terms :

তলত দিয়া চৰ্ত অনুসৰি, উপৰোক্ত তাৰিখে B-য়ে অৱসৰ গ্ৰহণ কৰিলে :

*i)* Building to be appreciated by ₹ 8,800.

ভৱনৰ মূল্য 8,800 টকাৰে বৃদ্ধি পাব।

*ii)* Provision for doubtful debts be made @ 5% on debtors.

দেনাদাৰৰ ওপৰত 5% হাৰে সন্দেহজনক ঋণৰ বাবদ ভৱিষ্যত ব্যৱস্থা ধাৰ্য কৰিব লাগে।

*iii)* Goodwill of the firm be valued at ₹ 9,000.

প্ৰতিষ্ঠানৰ সুনামৰ 9,000 টকাত মূল্যায়ন কৰা হয়।

Pass necessary Journal Entries.

প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

*OR / নাইবা*

What is share forfeiture ? State the procedure of forfeiture of shares. 2+3=5

অংশপত্ৰৰ বাজেয়াপ্তকৰণ মানে কি ? অংশপত্ৰৰ বাজেয়াপ্তকৰণৰ প্ৰক্ৰিয়া উল্লেখ কৰা।

16. What is Partnership Deed ? Mention its *four* principal clauses. 1+4=5

অংশীদাৰী দলিল মানে কি ? অংশীদাৰী দলিলৰ *চাৰিটা* মুখ্য দফা উল্লেখ কৰা।

OR / নাইবা

Following is the Balance Sheet of P, Q and R as on March 31, 2018. 5

P, Q আৰু R-ৰ 31 মাৰ্চ, 2018 তাৰিখৰ উদ্বৃত্ত পত্ৰখন তলত দিয়া হ'ল —

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 16,000 | Bills Receivable (প্ৰাপ্য বিল) | 16,000 |
| | | Furniture (আচবাব) | 22,600 |
| General Reserve<br>সাধাৰণ পুঁজি | 16,000 | Stock (মজুত পণ্য) | 20,400 |
| Capital Accounts :<br>মূলধন | | Sundry Debtors<br>(বিবিধ দেনাদাৰ) | 22,000 |
| P : 30,000<br>Q : 20,000<br>R : 20,000 | 70,000 | Cash at Bank (বেংকত জমা) | 18,000 |
| | | Cash in Hand (নগদ জমা) | 3,000 |
| | 1,02,000 | | 1,02,000 |

Q died on June 30, 2018. Under the agreement the executors of the deceased partner were entitled to :

30 জুন, 2018 তাৰিখত Q-ৰ মৃত্যু হয়। চুক্তিমতে মৃত অংশীদাৰৰ প্ৰতিনিধি সকলে পাব :

*a)* Amount standing to the credit of Partner's Capital A/c.

অংশীদাৰৰ মূলধন হিচাপৰ ক্ৰেডিটত থকা প্ৰাপ্য ধন।

*b)* Interest on Capital @ 5% p.a.

বছৰি 5% হাৰে মূলধনৰ ওপৰত সুত।

*c)* Share of goodwill on the basis of twice the average of the past three years' profit.

বিগত তিনিবছৰৰ গড় লাভৰ দুগুণৰ ভিত্তিত সুনামৰ অংশ।

d) Share of profit from the closing of the last financial year to the date of death on the basis of last year's profit (2017-18).

বিগত বছৰৰ (2017-18) লাভক ভিত্তি হিচাপে ধৰি লৈ বিগত বছৰৰ সামৰণি তাৰিখৰ পৰা মৃত্যুৰ তাৰিখলৈকে লাভৰ অংশ।

e) Profits for the last three years were :

বিগত তিনিবছৰৰ লাভ আছিল :

| Year / বৰ্ষ | Profit / লাভ (₹) |
|---|---|
| 2015 – 16 | 12,000/- |
| 2016 – 17 | 16,000/- |
| 2017 – 18 | 14,000/- |

Prepare Q's capital account on the date of his death.

Q-ৰ মৃত্যুৰ তাৰিখত তেওঁৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

17. Distinguish between Realisation Account and Revaluation Account. 5

মূল্যাদায়কৰণ হিচাপ আৰু পুনৰমূল্যায়ন হিচাপৰ মাজত থকা পাৰ্থক্যবোৰ লিখা।

*OR / নাইবা*

A and B are partners sharing profits equally. Balance Sheet on September 2018 was as follows : 5

A আৰু B সম অনুপাতত লাভ বন্টন কৰা অংশীদাৰ আছিল। চেপ্তেম্বৰ, 2018 তাৰিখত তেওঁলোকৰ উদ্বৃত্ত পত্ৰখন তলত দিয়া ধৰণৰ আছিল।

Balance Sheet (উদ্বৃত্ত পত্ৰ)

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Creditors (পাওনাদাৰ) | 11,200 | Sundry Assets বিবিধ সম্পত্তি | 59,000 |
| Bills Payable (প্ৰদেয় বিল) | 1,800 | | |
| Reserve Fund (সঞ্চিত পুঁজি) | 6,000 | | |
| Capitals : মূলধন | | | |
| A : 20,000 | | | |
| B : 20,000 | 40,000 | | |
| | 59,000 | | 59,000 |

The firm is dissolved on the above date. Assets are realised at ₹ 49,600. Creditors allowed a discount of 2% and Dissolution Expenses came to ₹ 544.

উপৰোক্ত তাৰিখত প্ৰতিষ্ঠানটোৰ অৱসান ঘটে। বিবিধ সম্পত্তিবোৰ বিক্ৰয় কৰি 49,600 টকা আদায় পোৱা গল। পাওনাদাৰ সকলে 2% ৰেহাই দিলে আৰু অৱসায়নৰ বাবদ হোৱা খৰচৰ পৰিমাণ 544 টকা হ'ল।

Give Journal Entries to close the books of the firm.

প্ৰতিষ্ঠানটোৰ হিচাপবহীবোৰ বন্ধ কৰিবৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া।

18. Discuss the process for allotment of shares of a company in case of oversubscription. 5

অধিক ক্ৰয়সন্মতিৰ ক্ষেত্ৰত কোম্পানীৰ অংশপত্ৰ আবন্টনৰ প্ৰক্ৰিয়াটো আলোচনা কৰা।

*OR / নাইবা*

Prepare a Comparative Income Statement from the following particulars : 5

তলৰ তথ্যৰ পৰা এখন তুলনামূলক আয় প্ৰতিবেদন প্ৰস্তুত কৰা :

| Particulars (বিৱৰণ) | 2017 (₹) | 2018 (₹) |
|---|---|---|
| Sales<br>বিক্ৰয় | 4,00,000 | 5,00,000 |
| Cost of Goods Sold<br>বিক্ৰয় সামগ্ৰীৰ ক্ৰয়মূল্য | 2,00,000 | 3,00,000 |
| Administrative Expenses<br>প্ৰশাসনৰ খৰচ | 40,000 | 1,00,000 |
| Other Income<br>অন্যান্য আয় | 20,000 | 30,000 |
| Income Tax<br>আয়কৰ | 60,000 | 70,000 |

19. Following is the Trial Balance of Rana and Raju as on 31st March, 2018 : 8

31 মাৰ্চ, 2018 তাৰিখে ৰানা আৰু ৰাজুৰ উদ্বৃত্ত মিলন পত্ৰখন তলত দিয়া ধৰণৰ আছিল :

Dr. **Trial Balance (উদ্বৃত্ত মিলন পত্ৰ)** Cr.

| Particulars (বিৱৰণ) | (₹) | Particulars (বিৱৰণ) | (₹) |
|---|---|---|---|
| Machinery (যন্ত্ৰপাতি) | 10,000 | Capital :<br>মূলধন ঃ | |
| Furniture (আচবাব) | 20,860 | Rana ৰানা = 65,000 | |
| Rent (ঘৰ ভাৰা) | 19,740 | Raju ৰাজু = 40,000 | 1,05,000 |
| Salaries (দৰমহা) | 9,000 | Creditors (পাওনাদাৰ) | 18,400 |
| Debtors (দেনাদাৰ) | 40,500 | Commission (দস্তুৰি) | 300 |
| Cash in Hand (নগদ জমা) | 16,300 | Bank Loan (বেংকৰ ঋণ) | 5,000 |
| Cash at Bank (বেংকত জমা) | 45,000 | Trading Account<br>(ক্ৰয়-বিক্ৰয় হিচাপ) : | |
| Drawings (আহৰণ) ঃ<br>Rana (ৰানা) = 4,000<br>Raju (ৰাজু) = 3,000 | 7,000 | | |
| Closing Stock (সামৰণি মজুত) | 12,500 | | |
| Commission (দস্তুৰি) | 5,000 | Gross Profit (মুঠ লাভ) | 57,200 |
| | 1,85,900 | | 1,85,900 |

Prepare the Profit & Loss Account and Profit & Loss Appropriation Account for the year ended 31st March, 2018 and a Balance Sheet of the Firm as on that date after taking into consideration the following additional information :

তলত দিয়া অতিৰিক্ত বিষয়সমূহ বিবেচনা কৰি ৩১ মাৰ্চ, ২০১৮ তাৰিখে অন্ত পৰা বছৰটোৰ বাবে লাভ-লোকচান হিচাপ, লাভ-লোকচান উপযোজন হিচাপ আৰু উক্ত তাৰিখত প্ৰতিষ্ঠানটোৰ উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা :

*i)* Depreciate Machinery @ 10% p.a. and Furniture @ 20% p.a.

যন্ত্ৰপাতিৰ ওপৰত বছৰি 10% আৰু আচবাবৰ ওপৰত বছৰি 20% অৱক্ষয় ধাৰ্য্য কৰা।

*ii)* Partners will get interest on Capital @ 5% p.a.

অংশীদাৰসকলে বছৰি 5% হাৰে মূলধনৰ ওপৰত সুত পাব।

*iii)* Raju is entitled to a salary of ₹ 1,800 p.a.

ৰাজুৱে বছৰি 1,800 টকাকৈ দৰমহা পাব।

*iv)* The Profit sharing ratio between Rana and Raju was 3:2.

ৰানা আৰু ৰাজুৰ মাজত লাভ বন্টনৰ অনুপাত 3:2 আছিল।

20. M. S. Limited issued 1,000 equity shares of Rs. 100 each payable as follows : 8

On Application — Rs. 25 per share

On Allotment — Rs. 25 per share

On First Call — Rs. 20 per share

On Final Call — Rs. 30 per share

All the shares were duly subscribed for, called-up and paid-up, except Mr. A holding 400 shares did not pay the final call money.

Show the entries in the Cash Book and Journal of the company for the above transactions.

M.S. Ltd - এ প্ৰতিখন 100/- টকা মূল্যৰ 1,000 খন অংশপত্ৰ বিলি কৰে আৰু ইয়াক তলত দিয়া ধৰণে পৰিশোধ কৰিব লাগিব :

আবেদনৰ লগত — 25/- টকা

আবন্টনৰ লগত — 25/- টকা

প্ৰথম তলবৰ লগত — 20/- টকা

চূড়ান্ত তলবৰ লগত — 30/- টকা

অংশপত্ৰবোৰৰ বাবে সম্পূৰ্ণ আবেদন পোৱা গ'ল। গোটেইবোৰ তলব কৰা হ'ল আৰু শ্ৰীযুত A-ৰ চূড়ান্ত তলবৰ 400 খন অংশপত্ৰৰ ধনৰ বাহিৰে বাকী সকলো অৰ্থ পোৱা গ'ল।

কোম্পানীৰ বহীত নগদবহী প্ৰস্তুত কৰা আৰু প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

*OR / নাইবা*

Write short notes on : 3+3+2=8

চমুটোকা লিখা :

*a)* Redemption of Debentures

ঋণপত্ৰৰ পৰিশোধ

*b)* Loss on Isssue of Debentures

ঋণপত্ৰৰ বিলিকৰণত হোৱা লোকচান

c) Minimum Subscription.

ন্যূনতম আবেদন।

21\. S. K. Ltd. issued 1,000, 12% Debentures of Rs. 100 each. Give journal entries for Redemption of the debentures in the books of the company under the following conditions : 2+3+3=8

S. K. Ltd.-এ 100/- টকা মূল্যৰ 1,000 খন 12% ঋণপত্ৰ বিলি কৰিছিল। তলত দিয়া অৱস্থাসমূহৰ বাবে কোম্পানীৰ বহীত ঋণপত্ৰৰ পৰিশোধৰ সময়ত হ'ব পৰা জাবেদা প্ৰবিষ্টি দিয়া।

i) Issued at Par and Redeemable at par after 5 years.

সমমূল্যত বিলিকৰণ আৰু 5 বছৰৰ পিছত সমমূল্যত পৰিশোধ।

ii) Issued at Par and Redeemable at a premium of 5% after 5 years.

সমমূল্যত বিলিকৰণ আৰু 5 বছৰৰ পিছত 5% অধিহাৰত পৰিশোধ।

iii) Issued at a Premium of 5% Redeemable at Par after 5 years.

5% অধিহাৰত বিলিকৰণ আৰু 5 বছৰৰ পিছত সমমূল্যত পৰিশোধ।

*OR / নাইবা*

Write short notes on : 2+2+2+2=8

চমুটোকা লিখা :

i) Authorised Share Capital

মঞ্জুৰীকৃত অংশ মূলধন

ii) Call-in-Arrear

বাকী তলবী

iii) Pro-Rata Allotment

সমানুপাতিক অংশপত্ৰ আবন্টন

iv) Preference Share.

অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ।

22. Vimal and Nirmal are partners in a firm sharing profits and losses in the ratio 3:2. Their Balance Sheet as on 31st December, 2018 was as under : 8

বিমল আৰু নিৰ্মলে 3:2 অনুপাতত লাভ আৰু লোকচান বন্টন কৰাৰ চৰ্তত অংশীদাৰ আছিল। 31 ডিচেম্বৰ, 2018 তাৰিখে তেওঁলোকৰ উদ্বৃত্ত পত্ৰখন তলত দিয়া দৰে আছিল :

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 20,000 | Cash (নগদ ধন) | 14,000 |
| Capital Accounts :<br>মূলধন হিচাপ : | | Debtors (দেনাদাৰ) | 18,000 |
| Vimal : Rs. 60,000<br>Nirmal : Rs. 32,000 | 92,000 | Machinery (যন্ত্ৰপাতি) | 50,000 |
| Profit and Loss A/c<br>লাভ-লোকচান হিচাপ | 20,000 | Stock (মজুত পণ্য) | 40,000 |
| | | Goodwill (সুনাম) | 10,000 |
| | 1,32,000 | | 1,32,000 |

On that date Kailash was admitted as a new partner. He paid ₹ 40,000 as his capital and ₹ 20,000 for his share of goodwill. The new profit sharing ratio was agreed to be 2 : 1 : 1.

Pass Journal entries in the books of the firm and show the Balance Sheet of the new firm.

উপৰোক্ত তাৰিখে Kailash -এ এজন নতুন অংশীদাৰ হিচাপে নিযুক্তি পালে। তেওঁ নিজৰ মূলধনৰ বাবদ 40,000 টকা আৰু সুনামৰ তেওঁৰ অংশৰ বাবে 20,000 টকা আনিলে। লাভ বন্টনৰ নতুন অনুপাত 2:1:1 হ'ব বুলি সিদ্ধান্ত লোৱা হ'ল। প্ৰতিষ্ঠানৰ বহীত জাবেদা প্ৰবিষ্টি দিয়া আৰু নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰা।

*OR / নাইবা*

What is goodwill ? Mention *four* factors affecting the goodwill of a firm. Mention *three* conditions when valuation of goodwill becomes necessary.

1+4+3=8

সুনাম মানে কি ? প্ৰতিষ্ঠানৰ সুনামত প্ৰভাৱ পেলাব পৰা *চাৰিটা* কাৰক উল্লেখ কৰা। সুনাম মূল্যায়নৰ প্ৰয়োজনীয়তা আহি পৰা *তিনিটা* পৰিস্থিতি উল্লেখ কৰা।

———×———